স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

৪৩৩ ভাস্কৰাব্দ ◻ ৪ মে' ২০২৬ চন ◻ VOL-16 ◻ NO-59 ◻ MONDAY 4 MAY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH E

ৰৰ জন্ম
দীৰ জন্ম

## হিন্দী বিভাগ-আইচিজিপিচিৰ সহযোগত মননশীল অনুষ্ঠান

# কানৈ মহাবিদ্যালয়ত কেৰিয়াৰ কাউন্সেলিং কাৰ্যসূচী



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৩ মে'ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত কালি হিন্দী বিষয়ক এক মননশীল কেৰিয়াৰ কাউন্সেলিং কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীটো ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড (বিচিপিএল)ৰ উদ্যোগত কানৈ মহাবিদ্যালয়ৰ হিন্দী বিভাগ আৰু আইচিজিপিচিৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত ইউনিয়ন বেংক অব ইণ্ডিয়া আৰু কেন্দ্ৰীয় বিদ্যালয়, ডিব্ৰুগড়েও বিশেষ সহযোগ আগবঢ়ায়। অনুষ্ঠানটো সঞ্চালনা কৰে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ হিন্দী বিষয়া মৃগাক্ষী শৰ্মাই। অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰদান কৰি অধ্যক্ষগৰাকীয়ে কয়— হিন্দী বিষয় অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দেশ-বিদেশত বিভিন্ন কেৰিয়াৰৰ সুযোগ আছে। অধ্যক্ষগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পাঠ্যক্ৰমসমূহো বৰ্তমানৰ উদীয়মান কেৰিয়াৰৰ বিকল্প হিচাপে গুৰুত্ব আৰোপ কৰে। উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে স্নাতক স্তৰত হিন্দী বিষয়ৰ গুৰুত্বৰ ওপৰত আলোকপাত ১০ পৃষ্ঠাত